**17-01-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – তোমালোক ভাৰতৰ অতিকৈ মূল্যৱান সেৱক, তোমালোকে নিজৰ তন-মন-ধনেৰে শ্ৰীমতত ইয়াক ৰামৰাজ্য কৰি তুলিব লাগে"**

প্ৰশ্ন: সঁচা অলৌকিক সেৱা কোনটো, যিটো এতিয়া তোমালোক সন্তানসকলে কৰা?

উত্তৰ: তোমালোক সন্তানসকলে গুপ্ত ৰীতিৰে শ্ৰীমতত পাৱন ভূমি সুখধাম স্থাপনা কৰি আছা - এয়াই হৈছে ভাৰতৰ সঁচা অলৌকিক সেৱা। তোমালোকে বেহদৰ পিতাৰ শ্ৰীমতত সকলোকে ৰাৱণৰ কাৰাগাৰৰ পৰা মুক্ত কৰি আছা। ইয়াৰ বাবে তোমালোক পাৱন হৈ আনকো পাৱন কৰি তোলা।

গীত: নয়ন হীন কো ৰাহ দিখাও… (নয়নহীনক মাৰ্গ দৰ্শন কৰা….)

ওঁম্ শান্তি। হে প্ৰভু, ঈশ্বৰ, পৰমাত্মা বুলি কোৱা আৰু পিতা বুলি কোৱাৰ মাজত কিমান পাৰ্থক্য আছে। হে ঈশ্বৰ, হে প্ৰভু বুলি ক'লে কিমান সন্মান থাকে। আকৌ তেওঁক পিতা বুলি কয়, গতিকে পিতা শব্দটি বহুত সাধাৰণ। পিতাতো অনেক আছে। প্ৰাৰ্থনাতো কয় - হে প্ৰভু, হে ঈশ্বৰ। 'বাবা' বুলি কিয় নকয়? 'পৰমপিতা'ই নহয় জানো। কিন্তু 'বাবা' শব্দটি যেন তল পৰি যায়, 'পৰমাত্মা' শব্দটি উচ্চ হৈ যায়। আহ্বানো জনায় - হে প্ৰভু, নয়নহীনক মাৰ্গ-দৰ্শন কৰক। আত্মাসকলে কয় - বাবা, আমাক মুক্তি-জীৱনমুক্তিৰ মাৰ্গ-দৰ্শন কৰক। 'প্ৰভু' শব্দটি কিমান উচ্চ। 'পিতা' শব্দটি লঘু। ইয়াত তোমালোকে জানা যে পিতাই আহি বুজায়। লৌকিক ৰীতিৰ ফালৰ পৰাতো পিতা অনেক আছে, আহ্বানো জনায় - "তুমি মাতা-পিতা"……... কিমান সাধাৰণ শব্দ। ঈশ্বৰ বা প্ৰভু বুলি ক'লে তেতিয়া ভাবে তেওঁ কি কৰিব নোৱাৰে। এতিয়া তোমালোক সন্তানসকলে জানা যে পিতাৰ আগমন হৈছে। পিতাই অতি উচ্চ মাৰ্গৰ বিষয়ে সহজকৈ শুনায়। পিতাই কয় - মোৰ সন্তানসকল, তোমালোক ৰাৱণৰ মতত কাম চিতাত বহি ভস্মীভূত হৈ গৈছা। এতিয়া মই তোমালোকক পাৱন কৰি ঘৰলৈ লৈ যাবলৈ আহিছোঁ। পিতাক এই কাৰণেই আহ্বান জনায় যাতে আহি পতিতৰ পৰা পাৱন কৰি তোলে। পিতাই কয় - মই তোমালোকৰ সেৱা কৰিবলৈকে আহিছোঁ। তোমালোক সন্তানসকলো ভাৰতৰ অলৌকিক সেৱাত ব্ৰতী হৈ আছা। যি সেৱা তোমালোকৰ বাহিৰে অন্য কোনেও কৰিব নোৱাৰে। তোমালোকে ভাৰতৰ কাৰণেই কৰা, শ্ৰীমতত পৱিত্ৰ হৈ আকৌ ভাৰতক পৱিত্ৰ কৰি তোলা। বাপু গান্ধীৰো আশা আছিল - ৰামৰাজ্য হওঁক। পিছে কোনো মনুষ্যইতো ৰামৰাজ্য গঢ়ি তুলিব নোৱাৰে। নহ'লেনো প্ৰভুক পতিত-পাৱন বুলি কৈ কিয় আহ্বান জনায়? এতিয়া তোমালোক সন্তানসকলৰ ভাৰতৰ প্ৰতি কিমান প্ৰেম আছে। সঁচা সেৱাতো তোমালোকে কৰা, বিশেষকৈ ভাৰতৰ আৰু সাধাৰণভাৱে গোটেই সৃষ্টিৰ।

তোমালোকে জানা ভাৰতক পুনৰ ৰামৰাজ্য কৰি তোলে, যিটো বাপুজীয়ে বিচাৰিছিল। তেওঁ হদৰ বাপুজী আছিল, এওঁ আকৌ হৈছে বেহদৰ বাপুজী। এওঁ বেহদৰ সেৱা কৰে। এয়া তোমালোক সন্তানসকলেহে জানা। তোমালোকৰ মাজতো ক্ৰমানুসৰি এইটো নিচা থাকে যে আমি ৰামৰাজ্য গঢ়ি তুলিম। তোমালোক চৰকাৰৰ সেৱক। তোমালোকে দৈৱী চৰকাৰ গঠন কৰা। তোমালোকৰ ভাৰতৰ বাবে নিচা আছে। জানা যে সত্যযুগত এয়া পাৱন ভূমি আছিল, এতিয়াতো পতিত। তোমালোকে জানা যে এতিয়া আমি পুনৰ পিতাৰ দ্বাৰা পাৱন ভূমি বা সুখধাম গঢ়ি আছোঁ, সেয়াও গুপ্তভাৱে। শ্ৰীমতো গুপ্ত ভাৱে পোৱা। ভাৰত চৰকাৰৰ বাবেই তোমালোকে কৰি আছা। শ্ৰীমতত তোমালোকে ভাৰতৰ উচ্চতকৈও উচ্চ সেৱা তন-মন-ধনেৰে কৰি আছা। কংগ্ৰেছী লোকসকল কিমান কাৰাগাৰ আদিলৈ গ'ল। তোমালোকতো কাৰাগাৰ আদিলৈ যোৱাৰ প্ৰয়োজন নাই। তোমালোকৰতো হৈছেই আত্মিক কথা। তোমালোকৰ যুদ্ধও 5 বিকাৰ ৰূপী ৰাৱণৰ সৈতে। যি ৰাৱণৰ গোটেই জগততে ৰাজত্ব। এয়া হৈছে তোমালোকৰ সেনা। লংকাতো এটা সৰু দ্বীপ। এই সৃষ্টিখন হৈছে বেহদৰ দ্বীপ। তোমালোকে বেহদৰ পিতাৰ শ্ৰীমত অনুসৰি সকলোকে ৰাৱণৰ কাৰাগাৰৰ পৰা মুক্ত কৰা। এয়াতো তোমালোকে জানা যে এই পতিত সৃষ্টিৰ বিনাশতো নিশ্চয় হ'ব। তোমালোক হৈছা শিৱ শক্তি। এই গোপ সকলো শিৱ শক্তি। গুপ্ত ৰীতিৰে তোমালোকে ভাৰতৰ বহুত ডাঙৰ সেৱা কৰি আছা। আগলৈ সকলোৱে জানিব। তোমালোকৰ হৈছে শ্ৰীমত অনুসৰি আত্মিক সেৱা। তোমালোক গুপ্ত। চৰকাৰে নাজানেই যে এই বি.কে.সকলে ভাৰতক নিজৰ তন-মন-ধনেৰে শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ সঁচা খণ্ড কৰি গঢ়ি তোলে। ভাৰত সঁচাখণ্ড আছিল, এতিয়া মিছাখণ্ড। সঁচা কেৱল এজন পিতাই হয়। কোৱাও হয় - ভগৱান সত্য। তোমালোকক নৰৰ পৰা নাৰায়ণ হোৱাৰ সঁচা শিক্ষা দি আছে। পিতাই কয় – কল্প পূৰ্বেও তোমালোকক নৰৰ পৰা নাৰায়ণ কৰি তুলিছিলোঁ, ৰামায়ণততো কি কি কথা লিখি দিছে। এনেকৈ কয় যে ৰামে বান্দৰ সেনা লৈছিল। তোমালোক আগতে বান্দৰ সদৃশ আছিলা। এগৰাকী সীতাৰ কথাতো নহয়। পিতাই বুজায় কেনেকৈ আমি ৰাৱণৰাজ্যৰ

বিনাশ কৰাই ৰামৰাজ্য স্থাপনা কৰোঁ, ইয়াত কোনো কষ্টৰ কথা নাই। তেওঁলোকেতো কিমান খৰচ কৰে। ৰাৱণৰ প্ৰতিকৃতি সাজি আকৌ সেয়া জ্বলাই দিয়ে। একোৱে বুজি নাপায়। ডাঙৰ ডাঙৰ ব্যক্তিসকল যায়, বিদেশী লোককো দেখুৱায়, একোৱে বুজি নাপায়। এতিয়া পিতাই বুজায় গতিকে তোমালোক সন্তানসকলৰ অন্তৰত উৎসাহ আছে যে আমি ভাৰতৰ সঁচা আত্মিক সেৱা কৰি আছোঁ। বাকী গোটেই সৃষ্টি ৰাৱণৰ মতত চলি আছে, তোমালোক ৰামৰ শ্ৰীমতত চলি আছা। ৰাম বুলি কোৱা বা শিৱ বুলি কোৱা, নাম বহুত ৰাখি দিছে।

তোমালোক সন্তানসকল শ্ৰীমত অনুসৰি ভাৰতৰ আটাইতকৈ মূল্যৱান সেৱক। কোৱাও হয় - হে পতিত-পাৱন, আহি পাৱন কৰি তোলক। তোমালোকে জানা সত্যযুগত আমি কিমান সুখ পাওঁ। প্ৰচুৰ সম্পদ পাওঁ। তাত গড় আয়ুসো কিমান বেছি হয়। তাত সকলো যোগী, ইয়াত সকলো ভোগী। সেয়া পাৱন, এয়া পতিত। কিমান দিন-ৰাতিৰ পাৰ্থক্য। শ্ৰীকৃষ্ণকো যোগী বুলি কয়, মহাত্মা বুলিও কয়। কিন্তু তেওঁতো সঁচা মহাত্মা। তেওঁৰতো মহিমা গোৱা হয় - সৰ্বগুণ সম্পন্ন.......। আত্মা আৰু শৰীৰ দুয়ো পৱিত্ৰ। সন্ন্যাসীতো গৃহস্থীত বিকাৰেৰে জন্ম লৈ পুনৰ সন্ন্যাসী হয়। এই কথাবোৰ এতিয়া পিতাই তোমালোকক বুজায়। এই সময়ত মনুষ্যতো হৈছে অধৰ্মী, অসুখী। সত্যযুগত কেনেকুৱা আছিল? ধাৰ্মিক, সত্যনিষ্ঠ আছিল। 100% চহকী আছিল। সৰ্বদা সুখী আছিল। দিন-ৰাতিৰ পাৰ্থক্য আছে। এয়া সঠিককৈ তোমালোকেহে জানা। এয়া জানো আন কোনোবাই জানিব যে ভাৰত স্বৰ্গৰ পৰা নৰক কেনেকৈ হ'ল? লক্ষ্মী-নাৰায়ণৰ পূজা কৰে, মন্দিৰ সাজে, বুজি একোৱে নাপায়। পিতাই বুজাই থাকে - যিসকল ভাল মৰ্যাদা সম্পন্ন হয়, বিৰলাকো বুজাব পাৰা, এই লক্ষ্মী-নাৰায়ণে এই পদ কেনেকৈ পালে, কি কৰিলে যাৰ বাবে এওঁলোকৰ মন্দিৰ নিৰ্মাণ কৰিছে? কৰ্তব্যৰ বিষয়ে একো নজনাকৈ পূজা কৰাটোও পাথৰৰ পূজা অথবা পুতলা পূজা হৈ গ'ল। অন্য ধৰ্মাৱলম্বীসকলে জানে যে যীশুখ্ৰীষ্ট অমুক সময়ত আহিল, পুনৰ আহিব।

গতিকে তোমালোক সন্তানসকলৰ কিমান আত্মিক গুপ্ত নিচা থকা উচিত। আত্মা আনন্দিত হোৱা উচিত। আধাকল্প দেহ-অভিমানী হৈ থাকিলা। এতিয়া পিতাই কয় - অশৰীৰী হোৱা, নিজক আত্মা বুলি বুজা। আমি আত্মাই পিতাৰ পৰা শুনি আছোঁ। অন্য সৎসংগত কেতিয়াও এনেকৈ নুবুজায়। এয়া আত্মিক পিতাই আত্মিক সন্তানসকলক বুজায়। আত্মায়ে সকলো শুনে নহয় জানো। আত্মাই কয় - মই প্ৰধান মন্ত্ৰী, মই অমুক। আত্মাই এই শৰীৰৰ দ্বাৰা ক'লে যে মই প্ৰধান মন্ত্ৰী। এতিয়া তোমালোকে কোৱা - মই আত্মাই পুৰুষাৰ্থ কৰি স্বৰ্গৰ দেৱী-দেৱতা হৈ আছোঁ। মই আত্মা, এয়া মোৰ শৰীৰ। দেহী-অভিমানী হ'বলৈয়ে বহুত পৰিশ্ৰম কৰিবলগীয়া হয়। বাৰে বাৰে নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰি থাকিলে তেতিয়া বিকৰ্ম বিনাশ হৈ যাব। তোমালোক হৈছা একান্ত বাধ্য সেৱক। গুপ্ত ৰীতিৰে কৰ্তব্য পালন কৰা। গতিকে নিচাও গুপ্ত হোৱা উচিত। আমি চৰকাৰৰ আত্মিক সেৱক। ভাৰতক স্বৰ্গ কৰি তোলোঁ। বাপুজীয়েও যি বিচাৰিছিল নতুন সৃষ্টিত নতুন ভাৰত হওঁক, নতুন দিল্লী হওঁক। এতিয়া নতুন সৃষ্টিতো নাই। এই পুৰণি দিল্লী কৱৰস্থান হৈ যায় আকৌ পৰিস্থান হ'ব। এতিয়া জানো ইয়াক পৰিস্থান বুলি কোৱা হ'ব। তোমালোকে নতুন সৃষ্টিৰ কাৰণে পৰিস্থান, নতুন দিল্লী স্থাপনা কৰি আছা। এয়া অতি বুজিবলগীয়া কথা। এই কথাবোৰ পাহৰি যাব নালাগে। ভাৰতক পুনৰ সুখধাম কৰি তোলা এয়া কিমান উচ্চ কাৰ্য। ড্ৰামাৰ পৰিকল্পনা অনুসৰি সৃষ্টি পুৰণি হ'বই লাগে। দুখধাম নহয় জানো। দুখ হৰ্তা, সুখ কৰ্তা বুলি এজন পিতাকহে কোৱা হয়। তোমালোকে জানা যে পিতাই 5 হাজাৰ বছৰৰ পাছত আহি দুখী ভাৰতক সুখী কৰি তোলে। সুখো দিয়ে, শান্তিও দিয়ে। মনুষ্যই কয়ো - মনৰ শান্তি কেনেকৈ পাম? এতিয়া শান্তিতো শান্তিধাম মৰমৰ ঘৰতহে পোৱা যায়। সেইখনক কোৱা হয় শান্তিধাম, য'ত আৱাজ নাই, দুখ নাই। সূৰ্য, চন্দ্ৰ আদিও নাথাকে। এতিয়া তোমালোক সন্তানসকলৰ এই গোটেই জ্ঞান আছে। পিতাও আহি একান্ত বাধ্য সেৱক হোৱা নাই জানো। কিন্তু পিতাৰ বিষয়েতো একেবাৰে নাজানে। সকলোকে মহাত্মা বুলি কৈ দিয়ে। এতিয়া মহান আত্মাতো স্বৰ্গৰ বাহিৰে আন ক'তো থাকিব নোৱাৰে। তাত আত্মা পৱিত্ৰ হৈ থাকে। যেতিয়া পৱিত্ৰ আছিল তেতিয়া সুখ, সমৃদ্ধি আছিল। এতিয়া পৱিত্ৰতা নাই সেইবাবে একোৱে নাই। পৱিত্ৰতাৰে মান আছে। দেৱতাসকল পৱিত্ৰ সেইবাবেতো তেওঁলোকৰ আগত নতশিৰ হয়। পৱিত্ৰক পাৱন, অপৱিত্ৰক পতিত বুলি কোৱা হয়। এওঁ হ'ল গোটেই বিশ্বৰ বেহদৰ বাপুজী, এনেয়েতো মেয়ৰকো চহৰৰ পিতা বুলি কয়। তাত এনেকুৱা কথা থাকিব জানো। তাততো নিয়ম অনুসৰি ৰাজ্য চলে। আহ্বানো জনায় - পতিত-পাৱন আহক। এতিয়া পিতাই কয় -পৱিত্ৰ হোৱা, তেতিয়া কয় - এয়া কেনেকৈ হ'ব, আকৌ সন্তান কেনেকৈ জন্ম হ'ব? সৃষ্টিৰ কেনেকৈ বৃদ্ধি হ'ব? তেওঁলোকে এয়া নাজানে যে লক্ষ্মী-নাৰায়ণ সম্পূৰ্ণ নিৰ্বিকাৰী আছিল। তোমালোক সন্তানসকলে কিমান বিৰুদ্ধাচৰণ সহ্য কৰিবলগীয়া হয়।

ড্ৰামাত যি কল্প পূৰ্বে হৈছিল সেয়া পুনৰাবৃত্তি হয়। এনেকুৱা নহয় যে ড্ৰামা বুলি ভাবি থমকি ৰ'ব লাগে - ড্ৰামাত যদি

আছে পাম! স্কুলত এনেকৈ বহি থাকিলে কোনোবা উত্তীৰ্ণ হৈ যাব জানো? প্ৰতিটো বস্তুৰ কাৰণে মনুষ্যই পুৰুষাৰ্থতো কৰে। পুৰুষাৰ্থ অবিহনে পানীও পোৱা নাযায়। প্ৰতি চেকেণ্ডত যি পুৰুষাৰ্থ কৰা হয় সেয়া প্ৰালব্ধৰ কাৰণে। এয়া বেহদৰ পুৰুষাৰ্থ বেহদৰ সুখৰ বাবে কৰিব লাগে। এতিয়া হৈছে ব্ৰহ্মাৰ ৰাতি তথা ব্ৰাহ্মণসকলৰ ৰাতি আকৌ ব্ৰাহ্মণসকলৰ দিন হ'ব। শাস্ত্ৰতো পঢ়িছিলা কিন্তু একোৱে বুজা নাছিলা। এই বাবাই (ব্ৰহ্মা) নিজে বহি ৰামায়ণ ভাগৱত আদি শুনাইছিল, পণ্ডিত হৈ বহিছিল। এতিয়া বুজিছে সেয়াতো হৈছে ভক্তিমাৰ্গ। ভক্তি বেলেগ, জ্ঞান অন্য বস্তু। পিতাই কয় - তোমালোক কাম চিতাত বহি সকলো ক'লা হৈ গৈছা। শ্ৰীকৃষ্ণকো শ্যাম সুন্দৰ বুলি নকয় জানো। পূজাৰী লোকসকল হৈছে অন্ধবিশ্বাসী। কিমান ভূত পূজা কৰে। শৰীৰৰ পূজা কৰা মানে 5 তত্বৰ পূজা হৈ গ'ল। ইয়াক কোৱা হয় - ব্যভিচাৰী পূজা। ভক্তি প্ৰথমতে অব্যভিচাৰী আছিল, এজন শিৱৰেই পূজা হৈছিল। এতিয়া চোৱা কি কি পূজা হৈ থাকে। পিতাই আচৰিত কথাবোৰো দেখুৱাই দিয়ে, জ্ঞানো বুজাই আছে। কাঁইটৰ পৰা ফুল কৰি আছে। তাক কোৱাই হয় - ফুলৰ বাগিচা। কাৰাচিত পহৰা দিয়া এজন পাঠান আছিল, তেৱোঁ ধ্যানত গৈছিল, কৈছিল - মই স্বৰ্গলৈ গ'লোঁ, খোদাই মোক ফুল দিলে। তেওঁৰ বহুত মজা লাগিছিল। আচৰিত নহয়নে। সেয়াতো 7 টা আচৰিত বস্তু বুলি কোৱা হয়। বাস্তৱতে বিশ্বৰ আচৰিত বস্তু হৈছে স্বৰ্গ - এয়া কোনেও নাজানে।

তোমালোকে কিমান সৰ্বোৎকৃষ্ট জ্ঞান পাইছা। তোমালোক কিমান আনন্দিত হোৱা উচিত। কিমান উচ্চ বাপদাদা আৰু কিমান সাধাৰণ হৈ থাকে, পিতাৰে মহিমা গোৱা হয়, তেওঁ হৈছে নিৰাকাৰ, নিৰহংকাৰী। পিতাতো আহি সেৱা কৰিব লাগে। পিতাই সদায় সন্তানসকলৰ সেৱা কৰি, তেওঁলোকক ধন-সম্পত্তি দি নিজে বানপ্ৰস্থ অৱস্থা লৈ লয়। সন্তানসকলক শিৰত উঠায় (নিজতকৈও শ্ৰেষ্ঠ কৰি তোলে)। তোমালোক সন্তানসকল বিশ্বৰ মালিক হোৱা। মৰমৰ ঘৰলৈ গৈ পুনৰ আহি মৰমৰ বাদশ্বাহী ল'বাহি, পিতাই কয় - মইতো বাদশ্বাহী নলওঁ। সঁচা নিষ্কাম সেৱাধাৰীতো এজন পিতাহে হয়। গতিকে সন্তানসকল কিমান আনন্দিত হোৱা উচিত। কিন্তু মায়াই পাহৰাই দিয়ে। ইমান শ্ৰেষ্ঠ বাপদাদাক পাহৰি যোৱা উচিত জানো। দাদাৰ সম্পত্তিক লৈ কিমান নিচা থাকে। তোমালোকেতো শিৱবাবাক পাইছা। তেওঁৰ সম্পত্তি আছে। পিতাই কয় - মোক স্মৰণ কৰা আৰু দৈৱীগুণ ধাৰণ কৰা। আসুৰি গুণবোৰ আঁতৰাই পেলাব লাগে। এনেকৈ গায়ো "মোৰ নিৰ্গুণহাৰীৰ কোনো গুণ নাই"। নিৰ্গুণ সংস্থা এটিও আছে। কিন্তু অৰ্থতো কোনেও বুজি নাপায়। নিৰ্গুণ অৰ্থাৎ কোনো গুণ নাই। কিন্তু তেওঁলোকে সেয়া বুজে জানো। তোমালোক সন্তানসকলক পিতাই এটা কথাই বুজায় - কোৱা, আমিতো ভাৰতৰ সেৱাত ব্ৰতী হৈ আছোঁ। যি সকলোৰে বাপুজী, আমি তেওঁৰ শ্ৰীমতত চলোঁ। শ্ৰীমত ভাগৱত গীতা বুলি গোৱাও হয়। ভাল বাৰু!

অতিকৈ মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) যেনেকৈ আটাইতকৈ উচ্চ বাপদাদা সাধাৰণ হৈ থাকে তেনেকৈ বহুত সাধাৰণ, নিৰাকাৰী আৰু নিৰহংকাৰী হৈ থাকিব লাগে। পিতাৰ দ্বাৰা যি সৰ্বোৎকৃষ্ট জ্ঞান পাইছা, তাৰ চিন্তন কৰিব লাগে।

(2) ড্ৰামা যিখন হুবহু পুনৰাবৃত্তি হৈ আছে, ইয়াত বেহদৰ পুৰুষাৰ্থ কৰি বেহদ সুখ প্ৰাপ্তি কৰিব লাগে। কেতিয়াও ড্ৰামা বুলি কৈ থমকি ৰ'ব নালাগে। প্ৰালব্ধৰ কাৰণে পুৰুষাৰ্থ নিশ্চয় কৰিব লাগে।

বৰদান: অব্যক্ত স্বৰূপৰ সাধনাৰ দ্বাৰা শক্তিশালী বায়ুমণ্ডল গঢ়োঁতা অব্যক্ত ফৰিস্তা হোৱা

বায়ুমণ্ডল শক্তিশালী কৰি তোলাৰ সাধন হৈছে নিজৰ অব্যক্ত স্বৰূপৰ সাধনা। ইয়াৰ বাবে বাৰে বাৰে মনোযোগ দিব লাগে কিয়নো যিটো কথাৰ সাধনা কৰা হয়, সেইটো কথাৰ প্ৰতি ধ্যান থাকে। গতিকে অব্যক্ত স্বৰূপৰ সাধনা অৰ্থাৎ বাৰে বাৰে মনোযোগ দিয়াৰ তপস্যা লাগে সেই কাৰণে অব্যক্ত ফৰিস্তা হোৱাৰ বৰদান স্মৃতিত ৰাখি শক্তিশালী বায়ুমণ্ডল গঢ়াৰ তপস্যা কৰা, তেতিয়া তোমালোকৰ সন্মুখত যিয়েই আহিব তেওঁ ব্যক্ত আৰু ব্যৰ্থ কথাৰ উৰ্দ্ধত হৈ যাব।

শ্লোগান: সৰ্ব শক্তিমান পিতাক প্ৰত্যক্ষ কৰিবৰ বাবে একাগ্ৰতাৰ শক্তি বঢ়োৱা।

!! ওঁম্ শান্তি !!

শক্তিশালী মনেৰে শক্তিৰ প্ৰকম্পন দিয়াৰ সেৱা কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

যেনেকৈ নিজৰ স্থূল কাৰ্যৰ কাৰ্যসূচী দিনচৰ্চা অনুসৰি স্থিৰ কৰা তেনেকৈ নিজৰ মনৰ সমৰ্থ স্থিতিৰ কাৰ্যসূচী স্থিৰ কৰা। যিমানে নিজৰ মনক সমৰ্থ সংকল্পত ব্যস্ত কৰি ৰাখিবা তেতিয়া মনে অশান্ত হোৱাৰ সময়েই নাপাব। মন সদায় স্থিৰ অৰ্থাৎ একাগ্ৰ হ'লে তেতিয়া স্বতঃ ইতিবাচক প্ৰকম্পন বিয়পি পৰে। সেৱা হৈ থাকে।